**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-02-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ন্যায়ভিত্তিক তথা উন্নত ভাৰতবৰ্ষ গঠনত ফৰেনছিক বিজ্ঞানৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ৱ'ন ডেৰ লেয়েনৰ মাজত আজি নতুন দিল্লীত প্ৰতিনিধি পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হৈছে।

৩। ভাৰতে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সংস্কাৰ সাধনৰ বাবে আহ্বান জনাইছে।

৪। সমগ্ৰ দেশত আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৫। চলিত বৰ্ষতে দেশৰ পৰা যক্ষ্মা ৰোগ নিৰ্মূল কৰণৰ বাবে চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই প্ৰকাশ কৰিছে। *আৰু*

৬। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এখন খেলত আজি আফগানিস্তান অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ন্যায়ভিত্তিক তথা উন্নত ভাৰতবৰ্ষ গঠনত ফৰেনছিক বিজ্ঞানৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। গান্ধী নগৰস্থিত ৰাষ্ট্ৰীয় ফৰেনছিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ তৃতীয় সমৱৰ্তন অনুষ্ঠানত ভাগ লৈ তেওঁ, ভাৰতীয় ঐতিহ্য আৰু আধুনিকতাৰ সংমিশ্ৰণেৰে এখন উন্নত ভাৰতবৰ্ষৰ দৃষ্টিভংগীৰ বিষয়ে উল্লেখ কৰি সকলোৰে বাবে ন্যায় নিশ্চিত কৰাটো অতিশয় প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰে।

বিশেষকৈ অপৰাধৰ ধৰণ ক্ৰমাৎ পৰিৱৰ্তিত হৈ অহাৰ পৰিপ্ৰেক্ষিতত খৰতকীয়া ন্যায় প্ৰদানৰ প্ৰক্ৰিয়াত ফৰেনছিক বিজ্ঞানৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি এই ক্ষেত্ৰত মনোনিৱেশ কৰিবলৈ তেওঁ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। ফৰেনছিক বিজ্ঞানৰ পাঠ্যক্ৰমত স্নাতক উপাধি লাভ কৰা ছাত্ৰীৰ সংখ্যা ছাত্ৰসকলৰ সংখ্যাৰ তুলনাত অধিক হোৱা বিষয়ত শ্ৰীমতী মুৰ্মুৱে সন্তুষ্টি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে আজিৰ সমৱৰ্তন অনুষ্ঠানত এহেজাৰ ৫০০ গৰাকীতকৈও অধিকসংখ্যক শিক্ষাৰ্থীক ফৰেনছিক বিজ্ঞানৰ ডিগ্ৰী আৰু ডিপ্ল'মা প্ৰদান কৰা হয়। আজিৰ অনুষ্ঠানত গুজৰাটৰ ৰাজ্যপালন আচাৰ্য দেৱব্ৰত আৰু ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ৱ'ন ডেৰ লেয়েনৰ মাজত আজি নতুন দিল্লীত প্ৰতিনিধি পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হৈছে। ইউৰোপীয় আয়োগৰ অধ্যক্ষগৰাকী কালি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হয়। তেওঁৰ সৈতে ইউৰোপীয় আয়োগৰ ২৭ গৰাকী আয়ুক্তৰ ভিতৰত ২২ গৰাকী আয়ুক্তও ভাৰতলৈ আহিছে। ইউৰোপীয় দেশসমূহৰ আয়ুক্তসকলক লৈ গঠিত কলেজ অব্ কমিছনাৰৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ। এই ভ্ৰমণে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰি তুলিব বুলি আশা কৰা হৈছে।

ভাৰত আৰু ইউৰোপ ২০০৪ চনৰ পৰাই কৌশলগত অংশীদাৰ আৰু বাণিজ্য, বিনিয়োগ, জলবায়ু পৰিৱৰ্তন, বিজ্ঞান আৰু প্ৰযুক্তিকে ধৰি ভিন ভিন ক্ষেত্ৰত দুয়োখন ৰাষ্ট্ৰৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক আছে। বিগত এটা দশকত দুয়োখন ৰাষ্ট্ৰৰ মাজত দ্বিপাক্ষিক বাণিজ্য ৯০ শতাংশলৈ বৃদ্ধি পাইছে।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি নতুন দিল্লীত ভাৰত-ইউৰোপীয় সংঘ বাণিজ্য আৰু প্ৰযুক্তি পৰিষদৰ দ্বিতীয়খন বৈঠকত অংশগ্ৰহণ কৰে। তেওঁৰ সৈতে এই বৈঠকত বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল আৰু তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱেও ভাগ লয়। **টেক ছ'ভেৰেইনটি**ৰ কাৰ্যবাহী উপাধ্যক্ষ আৰু ইউৰোপীয় সংঘৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়ববীয়াও এই বৈঠকত উপস্থিত থাকে।

সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত বিদেশ মন্ত্ৰী ড০ জয়শংকৰে কয়, যে আজিৰ এই বৈঠকত ছেমি কণ্ডাক্টৰ, কৃত্ৰিম বুদ্ধিমত্তা, ছিক্স-জি, বৈদ্যুতিক যানবাহন আৰু সেউজ হাইড্ৰ'জেনকে ধৰি বিভিন্ন বিষয় লৈ আলোচনা কৰা হয়। এই বৈঠকৰ ফলস্বৰূপে অৰ্থনীতি, বাণিজ্য আৰু প্ৰযুক্তিৰ দিশত নতুন পাৰস্পৰিক সম্পৰ্কৰ সূচনা হ'ব বুলি তেওঁ আশা ব্যক্ত কৰে।

০০০০

ভাৰতে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সংস্কাৰ সাধনৰ বাবে আহ্বান জনাইছে। নিৰাপত্তা পৰিষদৰ পৰিৱৰ্তন সাধনৰ দাবী সম্প্ৰতিক সময়ত স্পষ্ট হিচাপে পৰিলক্ষিত হোৱাৰ লগতে অতিশয় জৰুৰী হৈ পৰিছে বুলি নতুন দিল্লীয়ে মত পোষণ কৰে। নিৰাপত্তা পৰিষদে এটা সুকীয়া যুগৰ প্ৰতিফলন ঘটাই অহাৰ দৰে হৈছে বুলি উল্লেখ কৰি ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি পৰ্ৱথানেনি হৰিশে কয়, যে বিগত ৮০ বছৰ ধৰি অপৰিৱৰ্তিত অৱস্থাত থকা ইয়াৰ ধাৰণা তথা গাঁথনিসমূহ সাম্প্ৰতিক বিশ্বৰ প্ৰেক্ষাপটত অপ্ৰাসংগিক হৈ পৰিছে।

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সংস্কাৰ সাধনৰ প্ৰসংগত ইয়াৰ কৰ্ম পদ্ধতিৰ বিষয়ে আলোচনা কৰাৰ উদ্দেশ্যে ৱাশ্বিংটনত কালি অনুষ্ঠিত আন্তঃচৰকাৰী মত বিনিময়ৰ অনুষ্ঠানত ভাগ লৈ তেওঁ এইদৰে মত প্ৰকাশ কৰে। এই অনুষ্ঠানত ভাগ লোৱা বক্তাসকলে বিষয়টো ইতিমধ্যে স্পষ্ট ৰূপত উপস্থাপন কৰা বুলি উল্লেখ কৰি তেওঁ কয়, যে নিজকে প্ৰাসংগিক কৰি ৰাখিবলৈ আৰু সমগ্ৰ বিশ্বৰ জনসাধাৰণৰ প্ৰয়োজনসমূহ পূৰণ কৰিব পৰাকৈ নিৰাপত্তা পৰিষদে ইয়াৰ সংস্কাৰ সাধন কৰাৰ লগতে সংস্থাটোৰ প্ৰকৃত উদ্দেশ্য পূৰণ কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰিব লাগিব।

০০০০

সমগ্ৰ দেশত আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হৈছে। বিশিষ্ট পদাৰ্থবিজ্ঞানী ছাৰ চি ভি ৰমনৰ দ্বাৰা ৰমন প্ৰভাৱ বা ৰমন বিক্ষেপনৰ আৱিষ্কাৰৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। চি ভি ৰমনে এই আৱিষ্কাৰৰ বাবে ১৯৩০ চনত ন'বেল বঁটা লাভ কৰিছিল। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে আজি দেশৰ বিভিন্ন প্ৰান্তত ভিন ভিন বিষয়ৰ ওপৰত ভিত্তি কৰি বিজ্ঞান বিষয়ক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ডাঃ জিতেন্দ্ৰ সিঙে আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্যসূচীত ভাগ লৈছে। এইবেলি এই দিৱসৰ মূল বিষয়বস্তু হৈছে ঃ **বিকশিত ভাৰতৰ বাবে বিজ্ঞান আৰু উদ্ভাৱনৰ ক্ষেত্ৰত বিশ্বৰ নেতৃত্ব বহন কৰিব পৰাকৈ ভাৰতীয় যুৱ প্ৰজন্মৰ সবলীকৰণ**।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী মোদীয়ে এটা বাৰ্তাত কয়, যে জ্ঞান আৰু বিজ্ঞানে একেলগে প্ৰতিটো সমস্যাৰ সমাধান উলিয়ায়। তেওঁ বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ বাবে বিজ্ঞান আৰু উদ্ভাৱনৰ বিষয়ে জনসাধাৰণৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০

চলিত বৰ্ষতে দেশৰ পৰা যক্ষ্মা ৰোগ নিৰ্মূলকৰণৰ বাবে চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি ওড়িশাৰ পুৰীত ভাৰতৰ ৰাজহুৱা স্বাস্থ্য ৰক্ষা ব্যৱস্থা সন্দৰ্ভত আয়োজিত নৱম ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰি কয়, যে সমগ্ৰ বিশ্বই ২০৩০ চনৰ ভিতৰত যক্ষ্মা ৰোগ সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে যদিও এই ক্ষেত্ৰত ভাৰত চৰকাৰৰ কাৰ্যপ্ৰণালীৰ প্ৰতি লক্ষ্য ৰাখি চলিত বৰ্ষতে দেশত এই ৰোগ নিৰ্মূল কৰিব পৰা যাব বুলি আশা কৰা হৈছে। শ্ৰী নাড্ডাই কয়, যে চৰকাৰে ২০১৭ চনত নতুন স্বাস্থ্য নীতি গ্ৰহণ কৰাৰ পাছত এই ক্ষেত্ৰত ভালেখিনি সংস্কাৰ সাধন কৰা হৈছে। তেওঁ কয়, যে দেশত বৰ্তমান প্ৰসূতিৰ মৃত্যুৰ হাৰ আৰু শিশুৰ মৃত্যুৰ হাৰ বিশ্বৰ মুঠ হাৰৰ তুলনাত দুগুণ হ্ৰাস হৈছে। দেশৰ প্ৰতিখন জিলাতে কৰ্কট ৰোগীসকলৰ বাবে একোটা ডে-কেয়াৰ চেণ্টাৰ স্থাপনৰ বাবে মন্ত্ৰালয়ে চিন্তা-চৰ্চা কৰি আছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে কয়, যে এই কেন্দ্ৰসমূহত ৰোগ ধৰা পৰাৰ ৩০ দিনৰ ভিতৰতে চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।

০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে আজি ইউৰোপীয় আয়োগৰ বাণিজ্য আৰু অৰ্থনৈতিক সুৰক্ষা আয়ুক্ত মাৰোছ ছেফছোভিছৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত তেওঁলোকে ভাৰত-ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তি সন্দৰ্ভত আলোচনা কৰাৰ লগতে বাণিজ্য আৰু প্ৰযুক্তি পৰিষদৰ কাম কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। ভাৰত আৰু ইউৰোপীয় সংঘই অনাগত সময়ত বাণিজ্য আৰু বিনিয়োগ চুক্তিৰ সম্প্ৰসাৰণৰ দিশত ল'বলগীয়া পদক্ষেপ সমূহক লৈ কেন্দ্ৰীয় চৰকাৰ আশাবাদী বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি উড়িয়া ছবিৰ বিশিষ্ট অভিনেতা বেচ্চি মহান্তীৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে শ্ৰী মহান্তীয়ে ভালে সংখ্যক উড়িয়া ছবিত মুখ্য ভূমিকাত অভিনয় কৰি অগণন লোকৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল। উড়িয়া ছবি জগতত তেওঁৰ অৱদান সদায়

স্মৰণীয় হৈ ৰ'ব বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে। অভিনেতাগৰাকীক শোকসন্তপ্ত পৰিয়াল তথা অনুৰাগীসকলৰ প্ৰতি সমবেদনা জনায় শ্ৰীমতী মুৰ্মুৱে কয়, যে শ্ৰী মহান্তীৰ মৃত্যু উড়িয়া ছবিৰ বাবে এটা বৃহৎ ক্ষতি।

০০০০

লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত আজি হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এখন খেলত আফগানিস্তান, অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

ইপিনে, পাকিস্তান আৰু বাংলাদেশৰ মাজৰ কালিৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়।

০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি সন্ধিয়া হ'বলগীয়া এখন খেলত ডেলহী কেপিটেলছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। আজিৰ খেলত ভাগ ল'বলগীয়া দল দুটাৰ উভয়েই ৬ পইণ্টকৈ অধিকাৰ কৰিছে যদিও নেট ৰান ৰেটৰ আধাৰত মুম্বাই ইণ্ডিয়ানছে তালিকাত অধিক অগ্ৰগতি লাভ কৰিছে।

যোৱা নিশা বেংগালুৰুত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত গুজৰাট জায়েণ্টছ দলটোৱে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰক ৬ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰিবলৈ লৈ বেংগালুৰুৰ দলটোৱে ৭ উইকেটৰ বিনিময়ত ১২৫ ৰান কৰে। প্ৰত্যুত্তৰত গুজৰাটৰ দলটো ৪টা উইকেট হেৰুৱাই ১৬ অভাৰ আৰু ৩ টা বলতেই বিজয় লক্ষ্যত উপনীত হয়। গুজৰাট জায়েণ্টছৰ অধিনায়ক অশ্বলেঘ গাৰ্ডনাৰক প্লেয়াৰ অব দ্যা মেটছৰ সন্মান প্ৰদান কৰা হয়। খেলখনত তেওঁ ৩১টা বলত ৫৮ ৰান সংগ্ৰহ কৰি নিজ দলৰ বিজয় নিশ্চিত কৰে।

০০০০

সমাপ্ত